অসমীয়া খবৰ ১৪/১২

# দৰঙত এনআৰচিৰ বংশ বৃক্ষ প্ৰ-পত্ৰক লৈ বিভ্ৰান্তি, শংকিত ৰাইজ

আমাৰ খবৰ, খাৰুপেটীয়া, ১৩ ডিচেম্বৰ : বহু প্ৰতীক্ষিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী অৰ্থাৎ এন আৰ চিৰ দ্বিতীয় পৰ্যায়ৰ বংশ বৃক্ষ প্ৰ-পত্ৰক লৈ বিভ্ৰান্তিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে দৰঙৰ বিভিন্ন ঠাইত। এই প্ৰ-পত্ৰ পূৰণক লৈ এক অজানিত আতংকত ভোগিছে ৰাইজ। বিশেষকৈ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত এলেকাৰ ৰাইজৰ নিদ্ৰাহৰণ কৰিছে ভেৰিফাই অৰ্থাৎ সত্যাসত্য নিৰূপণ কৰা পৰীক্ষক দলৰ কিছুমান বিভ্ৰান্তিমূলক কাৰ্যকাৰ্য আৰু মন্তব্যই। বৰ্তমান পূৰণ কৰি থকা বংশ বৃক্ষ প্ৰ-পত্ৰত লিগেচি থকা ব্যক্তিৰ পুত্ৰ-কন্যা আৰু পুত্ৰ-কন্যাৰ পুত্ৰ-কন্যা অৰ্থাৎ নাতি-নাতিনীৰ নাম লিপিবদ্ধ কৰিব লাগে বুলি একাংশ পৰীক্ষকে কোৱাৰ বিপৰীতে আন একাংশ পৰীক্ষকে কন্যাৰ নাতি-পুতিৰ নাম প্ৰ-পত্ৰ পূৰণত অন্তৰ্ভুক্ত হ'ব নালাগে বুলি কৰা পৰস্পৰবিৰোধী মন্তব্যই বিভ্ৰান্তিৰ সৃষ্টি কৰা বুলি অভিযোগ উত্থাপিত হৈছে। প্ৰ-পত্ৰ ভেৰিফাই কৰা পৰীক্ষকৰ দলটো যিখন ঘৰত উপস্থিত হয় তাত পৰিয়ালটোৰ আটাইকেইজন সদস্যই উপস্থিত নাথাকিলে আপত্তিজনক শব্দ লিপিবদ্ধ কৰা বুলি অভিযোগ উঠিছে। পূৰ্বে কোনো জাননী নিদিয়াকৈ কোনো এখন ঘৰত উপস্থিত হ'লে পৰিয়ালৰ আটাইকেইজন সদস্য উপস্থিত নথকাটো স্বাভাৱিক। এটা পৰিয়ালৰ নুৰব্বী বা অন্যান্য সদস্যক জাননী নিদিয়াকৈ হঠাৎ গৈ উপস্থিত হ'লে সত্যাসত্য নিৰূপণত খেলি-মেলি সৃষ্টি হোৱাটো অৱধাৰিত। পৰিয়ালৰ এজন সদস্য সেই সময়ত কিবা বিশেষ কাৰণত ঘৰত উপস্থিত থাকিব নোৱাৰিলে বিষয়াজনে পত্ৰ এখনত অনুপস্থিত লিখা বুলি অভিযোগ উঠিছে। আনহাতে জিলাখনৰ বহু ঠাইত এতিয়ালৈকে প্ৰ-পত্ৰ পূৰণৰ কাম বহু পৰিমাণে পাছপৰি আছে। বিভাগীয় কৰ্তৃপক্ষৰ অমনোযোগিতাৰ বাবেই এনে অৱস্থাৰ উদ্ভৱ হোৱা বুলি সচেতন মহলে মন্তব্য কৰিছে।

Tribune 14/12

# Special drive for NRC verification

STAFF REPORTER

GUWAHATI, Dec 13: The Kamrup Metro cell of the NRC office is organising a special field verification drive for those residents of Guwahati and Dispur revenue circles, who left the city after submitting their NRC documents on account of job-related or other reasons.

An official said that the special field verification drive for citizens of the two revenue circles will be held at the respective NRC Seva Kendras (NSK) from December 15 to December 25.

Concerned individuals can visit respective NSKs during those days for completion of their verification process.